**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-02-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১।	ভূপালত গোলকীয় বিনিয়োগকাৰী শীৰ্ষ সন্মিলন মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সমগ্ৰ বিশ্বই ভাৰতৰ প্ৰতি আশাৰে দৃষ্টি নিক্ষেপ কৰিছে।

২।	অসম চৰকাৰে আয়োজন কৰা ঝুমইৰ বিনন্দিনী অনুষ্ঠান আজি সন্ধিয়া চাৰে ৫ বজাত গুৱাহাটী সৰুসজাই ক্ৰীড়া প্ৰকল্পত আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিভিন্ন দেশৰ ৬১ গৰাকী ৰাষ্ট্ৰদূতকে ধৰি ৩৫০ গৰাকী অতিথিয়ে ইয়াত ভাগ ল'ব।

৩।	এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে অসমত ১ লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিবলৈ কালি অসম মন্ত্ৰী সভাৰ বৈঠকে অনুমোদন জনায়।

৪।	বেংগালুৰুত হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু ইউ পি ৱাৰিয়ৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

আৰু

৫।	নতুন দিল্লীত কালি অনুষ্ঠিত দক্ষিণ এছিয়া বাস্কেট বল সন্থাৰ মহিলাৰ বাস্কেট বল প্ৰতিযোগিতাৰ এখন খেলত ভাৰতে নেপালক পৰাস্ত কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয়, যে দেশৰ ইতিহাসত প্ৰথমবাৰৰ বাবে সমগ্ৰ বিশ্বই ভাৰতৰ প্ৰতি আশাৰে দৃষ্টি নিক্ষেপ কৰিছে। ভূপালত আজি গোলকীয় বিনিয়োগকাৰী শীৰ্ষ সন্মিলন মুকলি কৰি শ্ৰী মোদীয়ে কয়, যে বিশ্বৰ ভিন ভিন দেশৰ জনসাধাৰণ, অৰ্থনীতিবিদ আৰু বিভিন্ন প্ৰতিষ্ঠানকে ধৰি সকলোৱেই আজি ভাৰতৰ পৰা বহুখিনি আশা কৰে। বিশ্ববেংকৰ পৰা আৰম্ভ কৰি পৃথিৱীৰ সকলো গুৰুত্বপূৰ্ণ প্ৰতিষ্ঠানেই ভাৰতক দ্ৰুতগতিত বিকাশ লাভ কৰা অৰ্থনীতি হিচাপে অভিহিত কৰা বুলি উল্লেখ কৰি তেওঁ লগতে কয়, যে বিশ্ববাসীয়ে ভাৰতৰ প্ৰতি প্ৰকাশ কৰা এনে আস্থাৰ ফলত ৰাজ্যসমূহৰো আত্মবিশ্বাস পূৰ্বৰ তুলনাত বহুগুণে বৃদ্ধি পাইছে। একে সময়তে ডবল ইঞ্জিন চৰকাৰৰ ভূমিকাৰ বাবে উন্নয়নৰ গতিও দুগুণে বৃদ্ধি পোৱা বুলি তেওঁ মত প্ৰকাশ কৰে।

সম্প্ৰতি উন্নত ভাৰতবৰ্ষত বস্ত্ৰ শিল্প, পৰ্যটন আৰু প্ৰযুক্তি এই তিনিটা খণ্ড বিশেষভাৱে গুৰুত্বপূৰ্ণ বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰী মোদীয়ে লগতে কয়, যে চৰকাৰে এই খণ্ডসমূহক দক্ষতা বৃদ্ধিৰ বাবেই কেৱল নহয়, কৃষিজাত বস্ত্ৰ শিল্পকে ধৰি ন ন ক্ষেত্ৰসমূহতো উন্নয়ন সাধনৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০০০

চাহ জনগোষ্ঠীৰ চহকী সাংস্কৃতিক পৰম্পৰাক বিশ্ব পৰ্যায়লৈ নিয়াৰ লক্ষ্যৰে অসম চৰকাৰে আয়োজন কৰা **ঝুমইৰ বিনন্দিনী** অনুষ্ঠান আজি সন্ধিয়া চাৰে পাঁচ বজাত গুৱাহাটী সৰুসজাই ক্ৰীড়া প্ৰকল্পত আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উপস্থিতিত বিশ্ব অভিলেখ গঢ়াৰ লক্ষ্যৰে আজি ৮ হাজাৰৰো অধিক নাচনী আৰু কলা-কুশলীয়ে

**ঝুমইৰ বিনন্দিনী**ৰ অনুষ্ঠান পৰিৱেশন কৰিব। এই অনুষ্ঠানৰ লগতে এডভাণ্টেজ আছাম টু পইণ্ট অ' কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে প্ৰধানমন্ত্ৰীগৰাকী দুদিনীয়া কাৰ্যসূচীৰে আজি গুৱাহাটীত উপস্থিত হ'বহি। আজি ষ্টেডিয়ামত উপস্থিত হৈ এখন বিশেষ বাহনেৰে ষ্টেডিয়ামৰ চাৰিওফালে ঘূৰি তেওঁ অনুষ্ঠানত অংশগ্ৰহণ কৰা শিল্পী আৰু দৰ্শকসকলক অভিবাদন জনাব।

আজিৰ অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ্ জয়শংকৰৰ নেতৃত্বত অহা ৬১ গৰাকী ৰাষ্ট্ৰদূতেও অংশগ্ৰহণ কৰিব। ইয়াৰে ২২ গৰাকী ৰাষ্ট্ৰদূতে পৰিয়ালৰ সৈতে এই অনুষ্ঠান উপভোগ কৰিব। এইসকলকে ধৰি এডভাণ্টেজ আছাম অনুষ্ঠানত অংশগ্ৰহণৰ বাবে অসমলৈ অহা দেশ-বিদেশৰ ৩৫০ গৰাকী অতিথিয়ে এই অনুষ্ঠানত ভাগ ল'ব। আজি আয়োজিত **ঝুমইৰ বিনন্দিনী** অনুষ্ঠান অসমৰ ৮০০ খন চাহ বাগিচাত টিভি, এল ই ডি, প্ৰজেক্টৰৰ জৰিয়তে প্ৰদৰ্শন কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই, এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে ৰাজ্য চৰকাৰে আয়োজন কৰা ঝুমইৰ বিনন্দিনী অনুষ্ঠান চোৱাৰ বাবে প্ৰৱেশ পত্ৰ লোৱা লোকসকলক আজি বিয়লি চাৰে তিনি বজাৰ ভিতৰত ষ্টেডিয়ামত উপস্থিত হ'বলৈ আহ্বান জনাইছে। ঝুমুৰ নৃত্য শেষ হোৱাৰ পাছত এটা লেজাৰ শ্ব' প্ৰদৰ্শন কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছে। এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে ৰাজ্যৰ সকলো বিধায়ককে আমন্ত্ৰণ জনোৱা হৈছে। ইপিনে, কালি **ঝুমইৰ বিনন্দিনী** অনুষ্ঠানৰ চূড়ান্ত আখৰা চাই মুখ্যমন্ত্ৰীয়ে পৰৱৰ্তী পৰ্যায়ত নতুন দিল্লীত ২৫ হাজাৰ শিল্পীৰ অংশগ্ৰহণেৰে বৃহৎ পৰিসৰত ঝুমুৰ নৃত্য পৰিৱেশনৰ বাবে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰা বুলিও উল্লেখ কৰিছে। একেদৰে অহা নৱেম্বৰত বড়ো জনগোষ্ঠীৰ বাগৰুম্বা নৃত্য বিশ্বৰ প্ৰেক্ষাপটত উপস্থাপন কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰস্তুতি চলাব বুলি তেওঁ ঘোষণা কৰে।

০০০০০০০০

নৱগঠিত দিল্লী বিধানসভাৰ প্ৰথম অধিৱেশন আজি আৰম্ভ হৈছে। আজি অধিৱেশনৰ আৰম্ভণিতে মুখ্যমন্ত্ৰী ৰেখা গুপ্তা আৰু তেওঁৰ মন্ত্ৰীসভাৰ সদস্য প্ৰৱেশ চাহিব সিং, আশিস চুড়, মনজিন্দৰ সিং ছিৰ্ছা, কপিল মিশ্ৰ, ৰবিন্দ্ৰ ইন্দ্ৰজ সিং আৰু পংকজ সিঙে বিধায়ক হিচাপে শপত গ্ৰহণ কৰে। বিধানসভাৰ প্ৰ'টেম অধ্যক্ষ অৰবিন্দৰ সিং লাভলীয়ে তেওঁলোকৰ লগতে নতুনকৈ নিৰ্বাচিত বিধায়কসকলক পদ আৰু গোপনীয়তা ৰক্ষাৰ শপত বাক্য পাঠ কৰায়। পৰৱৰ্তী সময়ত বিয়লি ২ বজালৈ সদন স্থগিত ৰখা হয়। বিধানসভাৰ বৈঠক পুনৰ আৰম্ভ হোৱাৰ পাছত আজি দিল্লী বিধানসভাৰ অধ্যক্ষগৰাকীক নিৰ্বাচন কৰা হ'ব। অহা ২৭ ফেব্ৰুৱাৰীত এই অধিৱেশনৰ সামৰণি পৰিব।

০০০০০০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণৰ বাবে অসমত ১ লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিবলৈ কালি অসম মন্ত্ৰী সভাৰ বৈঠকে অনুমোদন জনায়। কালি দিছপুৰত অনুষ্ঠিত বৈঠকৰ পাছত ৰাজ্যৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংবাদ মেলত এই বৃহৎ পৰিমাণৰ বিনিয়োগৰ বিষয়ে ঘোষণা কৰে। তেওঁ কয়, যে এই সময়ছোৱাতে জিলা পৰ্যায়ত ৫ লাখ টকাৰ পৰা ৫০ কোটি টকালৈ বিনিয়োগৰ বাবে জিলা আয়ুক্তসকলে দুহেজাৰ ৫৯০খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব। জিলা পৰ্যায়ত হোৱা এই চুক্তিৰ পৰা ১৫ হাজাৰ ৫৯০ কোটি টকা বিনিয়োগ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে। অৱশ্যে, কামৰূপ মহানগৰ জিলাৰ বাবে বুজাবুজিৰ চুক্তি সমূহত এডভাণ্টেজ আছাম সন্মিলনত স্বাক্ষৰ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। বস্ত্ৰ শিল্পৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত

বিনিয়োগ সন্দৰ্ভত এই চুক্তিসমূহত স্বাক্ষৰ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। বিভিন্ন মন্ত্ৰালয়ে এই সন্মিলনত আন্তঃগাঁথনি বিনিয়োগৰ বিষয়ে ঘোষণা কৰাৰ সম্ভাৱনা আছে বুলি তেওঁ কয়। ধন বিনিয়োগ সম্পৰ্কীয় বুজাবুজি চুক্তিৰ উপৰি বিত্তীয় উপাদান জড়িত নথকা প্ৰযুক্তিৰ বণ্টন, শৈক্ষিক সহযোগিতাকে ধৰি আন কেইবাটাও বিষয়তো চুক্তি স্বাক্ষৰ কৰা হ'ব বুলি জানিবলৈ দি ইয়াৰ ফলত বিনিয়োগৰ পৰিমাণ বৃদ্ধি হোৱাৰ সম্ভাৱনা আছে বুলিও মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

ৰিলায়েন্স আৰু আদানী গ্ৰুপে সন্মিলনত কোনো ধৰণৰ চুক্তি নকৰে যদিও বিনিয়োগ সন্দৰ্ভত কেইবাটাও গুৰুত্বপূৰ্ণ ঘোষণা কৰিব বুলি ডং শৰ্মাই কয়। একেদৰে, জাপান আৰু ছিংগাপুৰে বিনিয়োগ সন্দৰ্ভত চুক্তি নকৰে যদিও দেশ দুখনত অসমৰ যুৱক-যুৱতীৰ দক্ষতা বিকাশ আৰু কৰ্ম সংস্থাপনৰ সুযোগ দিব বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

কালি মন্ত্ৰীসভাই ষষ্ঠ অসম বিত্তীয় আয়োগৰ কাৰ্যকাল অহা বছৰৰ ৩১ মাৰ্চলৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি, ডিব্ৰুগড় আৰু শিৱসাগৰৰ আন্তঃগাঁথনিমূলক কাম-কাজৰ বাবে ৫৫ কোটি টকাৰ আৱণ্টনত মন্ত্ৰীসভাই অনুমোদন জনায়। ইয়াৰ উপৰি মন্ত্ৰীসভাই অসম, জৈৱ প্ৰযুক্তি নীতিৰ সংশোধনী তথা বস্ত্ৰ আৰু সাজপাৰ নীতি ২০২৫ তো অনুমোদন জনাইছে।

০০০০০০০০০

দেশৰ কৃষকসকলৰ বিকাশৰ বাবে আৰম্ভ কৰা প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি যোজনাৰ ছব ছৰীয়া বৰ্ষপূৰ্তি উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ কৃষকসকলক শুভেচ্ছা জ্ঞাপন কৰিছে। এই যোজনাৰ অধীনত কৃষকসকলে নিজৰ বেংক একাউণ্টত চাৰে তিনি লাখ কোটি টকা লাভ কৰিছে বুলি প্ৰধানমন্ত্ৰী মোদীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত প্ৰকাশ কৰিছে। যোৱা ১০ বছৰত তেওঁৰ চৰকাৰৰ প্ৰচেষ্টাৰ ফলতেই ভাৰতৰ কৃষি খণ্ডৰ দ্ৰুত বিকাশ হৈছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয়, যে এই যোজনাই কৃষকলকলক সন্মান, সমৃদ্ধি আৰু নতুন শক্তি প্ৰদান কৰিছে।

০০০০০০০০০

বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত আজি সন্ধিয়া হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু ইউ পি ৱাৰিয়ৰ্ছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। উল্লেখযোগ্য যে স্মৃতি মন্ধানা নেতৃত্বাধীন বেংগালুৰুৰ দলটো প্ৰতিযোগিতাৰ তিনিখন খেলৰ দুখনত জয়লাভ কৰি সম্প্ৰতি পইণ্ট তালিকাৰ শীৰ্ষ স্থানত আছে। আনহাতে, এখন খেলত জয়লাভ কৰা দিপ্তী শৰ্মা নেতৃত্বাধীন দিল্লীৰ দলটো বৰ্তমানলৈ পঞ্চম স্থানতে সন্তুষ্ট আছে।

০০০০০০০০০

নতুন দিল্লীত চলি থকা দক্ষিণ এছিয়া বাস্কেট বল সন্থাৰ মহিলাৰ বাস্কেট বল প্ৰতিযোগিতাৰ নিজৰ প্ৰথমখন খেলত ভাৰতে নেপালক পৰাস্ত কৰে। শ্ৰীকালাৰাণীৰ নেতৃত্বত ভাৰতীয় দলটোৱে প্ৰথমৰ পৰাই দমনীয় প্ৰদৰ্শন কৰি ১১৩ - ৩২ পইণ্টেৰে খেলখনত জয়ী হয়।

০০০০০০০০০

আই চি চি চেম্পিয়নছ ট্ৰফীত যোৱা নিশা ডুবাই আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত খেলত ভাৰতে পাকিস্তানক ৬ উইকেটত পৰাস্ত কৰে। বিৰাট কোহলীয়ে উল্লেখযোগ্য শতক অৰ্জন কৰি পাকিস্তানৰ বলিং আক্ৰমণ

প্ৰতিহত কৰে। প্ৰথমে বেটিং কৰিবলৈ লৈ পাকিস্তানে দুটা বল বাকী থকা অৱস্থাত ২৪১ ৰাণ সংগ্ৰহ কৰি আটাইকেইটা উইকেট হেৰুৱায়। ভাৰতৰ হৈ কুলদ্বীপ যাদৱে ৩টা, হাৰ্ডিক পাণ্ডিয়াই ২টা, হৰ্ষিত ৰাণা, অক্ষৰ পেটেল আৰু ৰবিন্দ্ৰ জাডেজাই এটাকৈ উইকেট দখল কৰে। বিৰাট কোহলীৰ অপৰাজিত শতক, শ্ৰেয়াছ আয়াৰৰ ৫৬ ৰাণ আৰু শুভমন গিলৰ ৪৬ ৰাণৰে ভাৰতে সহজে জয়ৰ লক্ষ্য অতিক্ৰম কৰে।

বিৰাট কোহলীয়ে এই শতকেৰে এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ১৪ হাজাৰ ৰান সম্পূৰ্ণ কৰি বিশ্বৰ দ্ৰুততম বেটছমেন হিচাপে পৰিগণিত হয়। শচীন তেণ্ডুলকাৰ আৰু কুমাৰ ছাংগাক্কাৰা কোহলী হ'ল এদিনীয়া আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত ১৪ হাজাৰ বা ততোধিক ৰান কৰা তৃতীয়জন বেটছমেন।

০০০০০০

সমাপ্ত